# জাননী

অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ তৰফৰ পৰা নিম্ন উল্লেখিত বিষয়সমূহৰ পাঠ্যক্ৰমত ব'ৰ্ডৰ আৰ্থ-সাহাৰ্য্যৰে (পাঠ্যক্ৰমৰ মুঠ খৰচৰ ৯০% চৰকাৰী অনুদান আৰু ১০% হিতাধিকাৰীয়ে বহন কৰিব লাগিব) অসমৰ স্থায়ী বাসিন্দাৰ অধিসূচীত ধৰ্মীয় সংখ্যালঘু (মুছলিম, খ্ৰীষ্টান, শিখ, বৌদ্ধ, জৈন আৰু পাৰ্চী) ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ বছেৰকীয়া আয় দুই লাখ (২.00 লাখ) টকাতকৈ অধিক হ'ব নোৱাৰিব। বাছনি মেধাভিত্তিত কৰা হ'ব আৰু কিছু আসন বিভিন্ন শ্ৰেণীৰ বাবে সংৰক্ষিত থাকিব। ছাত্ৰ-ছাত্ৰীয়ে অনলাইনযোগে পূৰণ কৰা আবেদনৰ প্ৰতিলিপিৰ লগত যাৱতীয় নথি-পত্ৰ আপলোড কৰিব লাগিব । ইয়াৰ উপৰিও এই নথি-পত্ৰ সমূহৰ ফটোকপিসহ মূল কপি কাউঞ্চিলিংৰ সময়ত লৈ আহিব লাগিব। কাউঞ্চিলিংৰ বাবে বাছনিকৃত আবেদনকাৰী ছাত্ৰ-ছাত্ৰীসকলক পৰৱৰ্ত্তী সময়ত কাউঞ্চিলিংৰ তাৰিখ জনোৱা হ'ব। ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে অহা ২৮/০১/২০২২ তাৰিখৰ ভিতৰত https://amdb.assam.gov.in (Assam Minorities Development Board) ৱেবচাইটত অনলাইন যোগে আবেদন দাখিল কৰিব লাগিব। অসম্পূৰ্ণ আবেদন প্ৰ-পত্ৰ গ্ৰহনযোগ্য নহ'ব। অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ বাছনি কমিটিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

| ক্ৰমিক নং | পাঠ্যক্ৰমৰ নাম | শিক্ষাগত অৰ্হতা | পাঠ্যক্ৰমৰ সময়সীমা | বয়স |
|---|---|---|---|---|
| ১ | বি.এম.এল.টি. (B.M.L.T.) | উচ্চতৰ মাধ্যমিক (১০+২) বিজ্ঞান শাখাত (পি.চি.বি.ৰ সৈতে) নিম্নতম ৪৫% নম্বৰ। | ৩ ১/২ বছৰ | ১৭-২৪ বছৰ |
| ২ | ডি.এম.এল.টি. (D.M.L.T.) | উচ্চতৰ মাধ্যমিক (১০+২) বিজ্ঞান শাখাত (পি.চি.বি.ৰ সৈতে) নিম্নতম ৪৫% নম্বৰ। | ২ বছৰ | ১৭-২৪ বছৰ |
| ৩ | এ.এন.এম. (A.N.M) | উচ্চতৰ মাধ্যমিকৰ (১০+২) যিকোনো শাখাত নিম্নতম ৪০% | ২ বছৰ | ১৭-৩০ বছৰ |
| ৪ | মেডিকেল, ইঞ্জিনিয়াৰিং ও এ.পি.এচ.চি. পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাৰ বাবে প্ৰশিক্ষণ (Coaching for Entrance Exam (Medical, Engineering & APSC) | মেডিকেল, ইঞ্জিনিয়াৰিংৰ বাবে উচ্চতৰ মাধ্যমিক (১০+২) বিজ্ঞান শাখাত অৱতীৰ্ণ অথবা উত্তীৰ্ণ হব লাগিব। অৱতীৰ্ণ প্ৰাৰ্থীয়ে উচ্চ মাধ্যমিক (HSLC)ত নিম্নতম ৬০% অথবা উচ্চতৰ মাধ্যমিক (HS) উত্তীৰ্ণ প্ৰাৰ্থীয়ে (পি.চি.বি./পি.চি.এম.ৰ সৈতে) নিম্নতম ৬০% নম্বৰ। | ৬ মাহ | ১৭-২৪ বছৰ |
| | | এ.পি.এচ.চি. ৰ বাবে স্নাতক (১০+২+৩) যিকোনো শাখাত উত্তীৰ্ণ হব লাগিব। | ৬ মাহ | ২১-৩৮ বছৰ |

বি.দ্ৰ:

১. বি.এম.এল.টি., ডি.এম.এল.টি. আৰু এ.এন.এম. পাঠ্যক্ৰমৰ মুঠ খৰচৰ ৯০% চৰকাৰী অনুদান আৰু ১০% হিতাধিকাৰীয়ে বহন কৰিব লাগিব। মেডিকেল ও ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাৰ বাবে প্ৰশিক্ষণৰ সম্পূৰ্ণ খৰচ চৰকাৰে বহন কৰিব।

2. The above schemes will be implemented subject to issue of sanction and FOC from the Govt.

For any official clarification: Cell No. 7635998002 (M)
For any technical issues relating to uploading of forms: Cell No. 8822935542 (M)

সঞ্চালক,
অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ড
ৰাধা গোবিন্দ বৰুৱা পথ, গণেশগুৰি, গুৱাহাটী-৬

Scanned with CamScanner